# শোণিতপুৰত হাতী-মানুহৰ সংঘাত

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ আগষ্ট ঃ** হাতী-মানুহৰ সংঘাত অসমৰ লগতে বনাঞ্চল থকা ৰাজ্যসমূহৰ বাবে এক ডাঙৰ সমস্যা। বিগত সময়ছোৱাত উদ্বেগজনকভাৱে হাতী-মানুহৰ সংঘাত বৃদ্ধি পাইছে যদিও অসমৰ শোণিতপুৰ জিলাত হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ বাবে বিশ্ব বন্যপ্ৰাণী সংস্থা আৰু এপিজয় চাহ বাগিচা লক্ষণীয়ভাৱে সফল হৈছে। আজি এই কথা জানিবলৈ দিয়ে বিশ্ব বন্যপ্ৰাণী সংস্থাৰ ভাৰতৰ প্ৰজাতি আৰু পৰিদৃশ্য শাখাৰ পৰিচালক ড° দীপাংকৰ ঘোষে। তেওঁ কয় যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা বাবে শোণিতপুৰস্থিত এপিজয় চাহৰ ১৭খন বাগিচাৰ ভিতৰত ক্ৰমে বৰজুলি, গড়আলি, ধুলাপাড়ুং আৰু চেঁচা বাগিচাত হাতী-মানুহৰ সংঘাত হ্ৰাস কৰিবলৈ সক্ষম হৈছে। এপিজয় সুৰেন্দ্ৰ গ্ৰুপৰ বিষয়া ৰেণু কক্কৰে জনোৱা মতে শোণিতপুৰৰ চাহ বাগিচাত হাতী-মানুহৰ সংঘাতৰ ফলত ৫০ শতাংশ লোকৰ মৃত্যু হৈছিল। কিন্তু যেতিয়া এপিজয় চাহ আৰু ডব্লিউ ডব্লিউ এফে একেলগে কাম কৰাৰ সিদ্ধান্ত লয়, তাৰ পাছৰে পৰা এই সংঘাতৰ হাৰ হ্ৰাস পাইছে। কম খৰচী সৌৰশক্তিচালিত হেঙাৰে সংঘাত দূৰ কৰাত বিশেষ ফলপ্ৰসূ হৈছে। এই ধাৰণা ইতিমধ্যে বহুতো চৰকাৰী আৰু বেচৰকাৰী সংস্থাই ৰাজ্যখনত প্ৰয়োগ কৰিছে। তিনিবছৰীয়া দীৰ্ঘ আঁচনিৰ পৰা সুফল লাভ কৰা কোম্পানীটোৱে তেওঁলোকৰ বিত্তীয় লোকচান ৭৪ শতাংশলৈ হ্ৰাস পোৱা বুলিও উল্লেখ কৰে। জানিব পৰা মতে ২০১৭ চনত শোণিতপুৰত হাতী-মানুহৰ সংঘাতৰ ফলত তিনিটা হাতী আৰু ১১জন লোক নিহত হৈছে। ইয়াৰ বিপৰীতে ২০১৩ চনত আঠটা হাতী আৰু ১৬ জন লোকৰ মৃত্যু হৈছিল। জানিব পৰা মতে এপিজয় চাহে তেওঁলোকৰ বাগিচাসমূহৰ ইনফ্ৰা- ৰেড প্ৰণালী প্ৰয়োগ কৰিছে। এই আঁচনিৰ জৰিয়তে এবছৰত ১১১বাৰ বনৰীয়া হাতীক সফলতাৰে প্ৰশিক্ষিত হাতীৰ সহায়ত নিকটবৰ্তী হাবিলৈ ঘূৰাই পঠিওৱা হৈছে। ফলত বাগিচা কৰ্তৃপক্ষ লোকচানৰ পৰা পৰিত্ৰাণ লাভ কৰিছে। জানিব পৰা মতে এপিজয় চাহ আৰু ডব্লিউ ডব্লিউ এফে বাগিচাৰ দাঁতিকাষৰীয়া অঞ্চলৰ লোকসকলকো হাতী-মানুহৰ সংঘাত সন্দৰ্ভত সজাগ কৰি তুলিছে। জোঙা বাঁহ ৰোপণ কৰাৰ ফলতো হাতী-মানুহৰ সংঘাত বহু পৰিমাণে হ্ৰাস হোৱা বুলি দাবী কৰিছে প্ৰতিষ্ঠানটোৱে। তেওঁলোকে ১২.৫ কিলোমিটাৰ অঞ্চলত জোঙা বাঁহৰ জেওৰা দিয়াৰ লগতে ইয়াৰ খেতি কৰিছে। সমান্তৰালভাৱে ৭০টা এণ্টি ডিপ্ৰেডেচন স্কোড গঠন কৰা হৈছে আৰু শোণিতপুৰত ১৬০০তকৈয়ো অধিক লোকক প্ৰশিক্ষণ দিয়া হৈছে। সৌৰশক্তিচালিত জেওৰা স্থাপনৰ ফলত কৃষিভূমিৰ বিনস্তৰ হাৰো হ্ৰাস পোৱা বুলি প্ৰকাশ। বিগত ২০১৬ বৰ্ষত ৪৪২.৫ হেক্টৰ কৃষিভূমি হাতী-মানুহৰ সংঘাতৰ ফলত বিনষ্ট হৈছিল যদিও ২০১৭ বৰ্ষত এই হাৰ হ্ৰাস পাই ১২০ হেক্টৰ হয়। কেতবোৰ অঞ্চলত সৌৰশক্তিচালিত জেওৰা স্থাপনৰ বাবে এই সমস্যা ৯০ শতাংশ হ্ৰাস পোৱা বুলিও অভিহিত কৰে। স্বাভাৱিকতে ডব্লিউ ডব্লিউ এফ আৰু এপিজয় চাহে হাতী-মানুহৰ সংঘাত ৰোধৰ বাবে পাইলট প্ৰজেক্ট ভিত্তিত যি কাম হাতত লৈছে ইয়াৰ দ্বাৰা বিশেষ ফলাফল লাভ কৰিব পৰা যাব বুলি আশা কৰা হৈছে।